# REGIONAL NEWS UNIT
# ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 09-03-2024
**Time :** 18-45 Hrs

## *Assamese Evening Bulletin*

---------------------

১। উত্তৰ-পূবৰ ৰাজ্যসমূহৰ দ্ৰুত বিকাশৰ বাবে বিজেপি নেতৃত্বাধীন চৰকাৰখনে ঔদ্যোগিক তন্ত্ৰ গঢ়ি তোলাৰ লগতে কেইবাটাও উন্নয়নমূলক পদক্ষেপ গ্ৰহণ কৰিছে বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ আজি যোৰহাটত প্ৰকাশ।

২। দুদিনীয়া ভ্ৰমণসূচীৰে অসমলৈ অহা প্ৰধানমন্ত্ৰীগৰাকীৰ ৰাজ্যত মুঠ ১৭ হাজাৰ ৫০০ কোটি টকাৰ ১২টা বৃহৎ প্ৰকল্পৰ উদ্বোধন, আধাৰশিলা স্থাপন।

৩। লাচিত বৰফুকন মৈদাম উন্নয়ন প্ৰকল্পৰ অধীনত যোৰহাটৰ হোলোঙাপথাৰত বীৰ লাচিত বৰফুকনৰ ১২৫ ফুট উচ্চতাৰ প্ৰতিমূৰ্তি উন্মোচন।

৪। বিজেপিৰ শাসনকালত ৰাজ্যত গঁড় হত্যা বন্ধ হৈছে বুলি কাজিৰঙা পৰিভ্ৰমণৰ অন্তত প্ৰধানমন্ত্ৰীৰ মন্তব্য।

**আৰু**

৫। ৫ খনীয়া টেষ্ট ক্ৰিকেট শৃংখলাৰ অন্তিমখন মেচত ইংলেণ্ডক এক ইনিংছ আৰু ৬৪ ৰাণত পৰাস্ত কৰি ৪-১ৰ ব্যৱধানত ভাৰতৰ শৃংখলা দখল।

০০০০

উত্তৰ-পূবৰ ৰাজ্যসমূহৰ দ্ৰুত বিকাশৰ বাবে বিজেপি নেতৃত্বাধীন চৰকাৰখনে ঔদ্যোগিক তন্ত্ৰ গঢ়ি তোলাৰ লগতে কেইবাটাও উন্নয়নমূলক পদক্ষেপ গ্ৰহণ কৰিছে বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি যোৰহাটত প্ৰকাশ কৰিছে। দুদিনীয়া ভ্ৰমণসূচীৰে অসমলৈ অহা প্ৰধানমন্ত্ৰীগৰাকীয়ে আজি ৰাজ্যত মুঠ ১৭ হাজাৰ ৫০০ কোটি টকাৰ ১২ টা বৃহৎ প্ৰকল্পৰ উদ্বোধন, আধাৰশিলা স্থাপন কৰে। মেলেং মেটেলীত আয়োজিত বিশেষ অনুষ্ঠানত ১৫ হাজাৰ ১০০ কোটি টকা ব্যয়সাপেক্ষ ৭টা প্ৰকল্পৰ উদ্বোধন আৰু দুহেজাৰ ৪০০ কোটি টকা ব্যয়সাপেক্ষ ৫টা প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰি তেওঁ এখন জনসভাত অংশ লয়। প্ৰধানমন্ত্ৰীয়ে মুঠ ৮ হাজাৰ ৫০০ কোটি টকা ব্যয়েৰে প্ৰধানমন্ত্ৰী আবাস যোজনা গ্ৰামীণৰ অধীনত নিৰ্মাণ কৰা ৫ লাখ ৫৫ হাজাৰ

৫৫৫টা আবাসগৃহত আনুষ্ঠানিকভাৱে গৃহপ্ৰৱেশ মুকলি কৰে। জনতাক সম্বোধন কৰি তেওঁ কয় যে, বিজেপি চৰকাৰৰ দিনত পাঁচ লক্ষাধিক লোকক চৰকাৰী ঘৰ প্ৰদান কৰাৰ লগতে আঢ়ৈ লাখ খিলঞ্জীয়া লোকক ভূমিপট্টা প্ৰদান কৰা হৈছে। ভাষণত দেশৰ অন্যান্য ৰাজ্যসমূহৰ বিকাশৰ বাবে উত্তৰ-পূবৰ ৰাজ্যসমূহৰ উন্নয়ন সাধন কৰাটো জৰুৰী বুলি তেওঁ কয়। একেটা অনুষ্ঠানতে তেওঁ স্বাস্থ্য প্ৰকল্পৰ অধীনত তিনিচুকীয়া চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয় মুকলি কৰাৰ লগতে ডিমৌত ১০০খন আসনযুক্ত চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয়, গুৱাহাটীৰ বি বৰুৱা কৰ্কট প্ৰতিষ্ঠানত ৰক্তজনিত কৰ্কট ৰোগ আৰু শিশুৰ কৰ্কট ৰোগৰ চিকিৎসা কেন্দ্ৰৰ আধাৰশিলা স্থাপন কৰা হয়। হাইড্ৰ'কাৰ্বন প্ৰকল্পৰ অধীনত শ্ৰী মোদীয়ে বাৰাউনী-গুৱাহাটী প্ৰাকৃতিক গেছ পাইপ লাইন, নাহৰকটীয়া-বাৰাউনী খাৰুৱা তেলৰ পাইপ লাইনৰ বাৰাউনী-বঙাইগাঁও-গুৱাহাটী খণ্ডৰ পাম্পিং ক্ষমতা বৰ্ধিতকৰণ আৰু দুলীয়াজানৰ ১ নম্বৰ পাম্প ষ্টেচনৰ পৰা ডিগবৈ শোধনাগাৰলৈ খাৰুৱা তেলৰ স্পাৰ লাইনৰ উদ্বোধন কৰে। তেওঁ ডিগবৈ শোধনাগাৰৰ বাৰ্ষিক ক্ষমতা বৃদ্ধিকৰণ, গুৱাহাটী শোধনাগাৰৰ বাৰ্ষিক ক্ষমতা বৃদ্ধিকৰণ আৰু ভাৰতীয় তেল নিগমৰ গুৱাহাটীৰ বেতকুছি টাৰ্মিনেলৰ সুবিধাসমূহৰ সম্প্ৰসাৰণ কাৰ্যৰ আধাৰশিলা স্থাপন কৰে। প্ৰধানমন্ত্ৰীয়ে ৮১০ কোটি টকা ব্যয়সাপেক্ষে নিউ বঙাইগাঁও-গোৱালপাৰা-কামাখ্যা ৰে'ললাইনৰ দ্বৈতকৰণ, ধূপধৰা-ছয়গাঁও পথৰ দ্বৈতকৰণ আৰু ৫২০ কোটি টকা ব্যয়সাপেক্ষে নিৰ্মাণ কৰা নিউ বঙাইগাঁও-ৰঙিয়া-আগিয়াঠুৰী দ্বৈতকৰণ, নিউ বঙাইগাঁও-সৰভোগ শাখাৰ ৰে'লপথৰ দ্বৈতকৰণ প্ৰকল্প উদ্বোধন কৰে। ইয়াৰ লগতে উত্তৰ-পূৰ্বাঞ্চলক দেশৰ অষ্টলক্ষ্মী হিচাপে গঢ়ি তোলাৰ লক্ষ্যৰে ৭৩ হাজাৰ কোটিৰো অধিক টকাৰ বিনিয়োগেৰে উত্তৰ-পূবত বিভিন্ন উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰা হয়।

আনহাতে প্ৰধানমন্ত্ৰীগৰাকীয়ে হোলোঙাপথাৰত লাচিত বৰফুকন মৈদাম উন্নয়ন প্ৰকল্পৰ অধীনত আহোম ৰাজত্বকালৰ মহান যোদ্ধা তথা অসমীয়া জাতিৰ শৌৰ্য-বীৰ্য, সাহস আৰু প্ৰেৰণাৰ প্ৰতীক বীৰ লাচিত বৰফুকনৰ ৮৪ ফুট উচ্চতাৰ এটা প্ৰতিমূৰ্তি উন্মোচন কৰে।

০০০০

ইফালে আজি পুৱাই তেওঁ কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত জীপ আৰু হাতী ছাফাৰী কৰি উদ্যানখনৰ নৈসৰ্গিক শোভা উপভোগ কৰে। ৰাষ্ট্ৰীয় উদ্যানখন পৰিদৰ্শন কৰি প্ৰধানমন্ত্ৰীগৰাকীয়ে বন বিভাগৰ ৩৬ গৰাকী মহিলা বনকৰ্মীৰ সৈতে বাৰ্তালাপ কৰে। কাজিৰঙাক স্বৰ্গৰ সৈতে তুলনা কৰি তেওঁ কয় যে, বিজেপি শাসনলৈ অহাৰ পিছত ৰাজ্যত গঁড় হত্যা বন্ধ হৈছে।

**(ভইচ কাষ্ট)**

কাজিৰঙাৰ পৰা প্ৰধানমন্ত্ৰীয়ে অৰুণাচল প্ৰদেশৰ ইটানগৰলৈ ৰাওনা হয়। তাত তেওঁ বিকশিত ভাৰত, বিকশিত উত্তৰ-পূব শীৰ্ষক অনুষ্ঠানত ভাগ লয়। প্ৰধানমন্ত্ৰীগৰাকীয়ে অনুষ্ঠানত ছেলা সুৰংগ ৰাষ্ট্ৰৰ নামত উচৰ্গা কৰাৰ লগতে প্ৰায় ১০ হাজাৰ কোটি টকা ব্যয়সাপেক্ষ উন্নতি আঁচনিৰ শুভাৰম্ভ কৰে।

০০০০

প্ৰধানমন্ত্ৰীয়ে যোৰহাটৰ পৰা ভাৰ্চুৱেলী শিৱসাগৰ জিলাৰ ডিমৌৰ ইকৰাণিত নিৰ্মাণ হবলগীয়া চিকিৎসা মহাবিদ্যালয়ৰ আধাৰশিলা স্থাপন কৰে। এই উপলক্ষে ইকৰাণিত আয়োজন কৰা শিলান্যাস অনুষ্ঠানত জিলা প্ৰশাসনৰ কেইবাগৰাকীও বিষয়ববীয়া উপস্থিত থাকে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই থাওৰা সমষ্টিৰ উপ নিৰ্বাচনৰ সময়ত এই চিকিৎসা মহাবিদ্যালয়খনৰ নিৰ্মাণৰ বিষয়ে ঘোষণা কৰিছিল। ৫০০ কোটি টকা প্ৰকল্প

নিৰ্ধাৰণ কৰা ১০০ খন আসনযুক্ত এই চিকিৎসা মহাবিদ্যালয় হাস্পতালখন ৩৪১ একৰ ভূমিত গঢ়ি তোলা হ'ব।

ইফালে প্ৰধানমন্ত্ৰীয়ে ৰাজ্যখনত প্ৰধানমন্ত্ৰী আৱাস যোজনা গ্ৰামীনৰ মুঠ ৫ লাখ ৫৫ হাজাৰ ৫৫৫ গৰাকী হিতাধিকাৰীৰ গৃহপ্ৰৱেশ ভাৰ্চুৱেলী সম্পন্ন কৰে। এই উপলক্ষে মৰিগাওঁ পবিতৰা হাট ভৰনত প্ৰধানমন্ত্ৰীৰ কাৰ্যসূচীৰ পোনপতীয়া সম্প্ৰচাৰ কৰা হয়। অনুষ্ঠানত জিলাখনৰ আয়ুক্ত দেৱাশীষ শৰ্মা, তিৱা স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী জীৱন কোঁৱৰৰ লগতে ভালেসংখ্যক ব্যক্তি উপস্থিত থাকে। চিৰাং জিলাতো আজি এই অনুষ্ঠানৰ পোনপতীয়া সম্প্ৰচাৰ কৰা হয়। জিলাখনৰ চিদলী বড়োবজাৰ, আৰু মানিকপুৰ উন্নয়ন খণ্ডৰ গ্ৰামাঞ্চলৰ মুঠ ১৯ হাজাৰ ৭৩৭ টা নতুন গৃহ এই কাৰ্যসূচীৰ জৰিয়তে মুকলি কৰা হয়। জিলাখনৰ গ্ৰামোন্নয়ন বিভাগৰ প্ৰকল্প সঞ্চালকে প্ৰকাশ কৰা মতে, ২০২৩ বৰ্ষৰ ২৩ জুলাইত এই গৃহ নিৰ্মাণ আৰম্ভ হৈ যোৱা ৫ মাৰ্চ পৰ্যন্ত সম্পূৰ্ণ হোৱা ১৯ হাজাৰ ৭৩৭ টা গৃহ মুকলি কৰা হৈছে। জিলাখনত কমেও ১৫ হাজাৰ গৃহ হিতাধিকাৰীৰ বাবে নিৰ্মাণ কৰি থকা হৈছে।

০০০০

কেন্দ্ৰীয় জল শক্তি মন্ত্ৰী গজেন্দ্ৰ সিং সেখাৱটে আজি নতুন দিল্লীত আয়োজিত অনুষ্ঠানত জল শক্তি অভিযান, বৰষুণৰ পানী সংৰক্ষণ ২০২৪ৰ শুভাৰম্ভ কৰে। এইবাৰৰ অভিযানৰ বিষয়- নাৰী শক্তিৰে জল শক্তি। পানীৰ সংৰক্ষণ ব্যৱস্থাপনা আৰু ইয়াক বহনক্ষম কৰি তোলাৰ ক্ষেত্ৰত মহিলাসকলৰ ভূমিকাক উৎসাহিত কৰিবলৈ এই অভিযান আৰম্ভ কৰা হৈছে। অনুষ্ঠানত দিয়া ভাষণত শ্ৰীসেখাৱটে দেশত পানী সংৰক্ষণৰ ব্যৱস্থাপনাৰ ক্ষেত্ৰত মহিলাসকলে গ্ৰহণ কৰি অহা ভূমিকাক প্ৰশংসা কৰে। তেওঁ কয় যে, দেশৰ প্ৰায় এক কোটি মহিলাই সমাজত ইতিবাচক পৰিৱৰ্তন অনাৰ বাবে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিছে। তেওঁ লগতে কয় যে, এটা দশক আগৰ ভাৰতৰ অৰ্থনৈতিক অৱস্থাৰ উন্নয়ন ঘটিছে আৰু সম্প্ৰতি ভাৰত বিশ্বৰ পঞ্চম বৃহৎ অৰ্থনীতি হিচাপে পৰিগণিত হোৱাৰ উপৰি তৃতীয় বৃহৎ অৰ্থনীতি হোৱাৰ পথত অগ্ৰসৰ হৈছে। এই অনুষ্ঠানত মন্ত্ৰীগৰাকীয়ে জলশক্তি অভিয়ান 2019 to 2023 আৰু 101 water championship jal jiwan mission শীৰ্ষক দুখন গ্ৰন্থ উন্মোচন কৰে। উল্লেখযোগ্য যে আজি শুভাৰম্ভ কৰা এই অভিযান অহা ৩০ নৱেম্বৰলৈকে দেশৰ গ্ৰামীন আৰু নগৰীয়া সকলো জিলাত ৰূপায়ন কৰা হব। এই অভিযানৰ সময়ছোৱাত বৰষুণৰ পানী সংৰক্ষণ আৰু পুনৰ ব্যৱহাৰকৰণ, সকলো জিলাত জলশক্তি কেন্দ্ৰ প্ৰতিষ্ঠা, বনানীকৰণ আৰু জনসচেতনতা বৃদ্ধিৰ বিষয়েও প্ৰয়াস কৰা হ'ব।

০০০০

মাজুলিৰ ইতিহাস প্ৰসিদ্ধ চৰাইচোঙৰ ইতিহাস পুনৰুজ্জীৱিত কৰাৰ বাবে আজি চৰাইচোং উৎসৱ আৰম্ভ হৈছে। স্বৰ্গদেউ প্ৰতাপ সিংহই ৩৯০ বছৰ পূৰ্বে মাজুলীত চৰাইৰ পৰিভ্ৰমণস্থলী হিচাপে ঘোষণা কৰা চৰাইচোঙক সুৰক্ষিত কৰাৰ লক্ষ্যৰে এই উৎসৱৰ আয়োজন কৰা হৈছে। ৩ দিনীয়া কাৰ্যসূচীৰে মাজুলিৰ ভকতীদুৱাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সন্মুখৰ প্ৰতাপ সিংহ ক্ষেত্ৰত আয়োজিত অনুষ্ঠানৰ আজি প্ৰথম দিনা মাজুলিৰ সমাজ জীৱনৰ সৈতে ৩৯০ জন বিশিষ্ট ব্যক্তিয়ে একোখনকৈ পতাকা উত্তোলন কৰাৰ লগতে ৩৯০ গৰাকী মহিলাই বৰগীত পৰিৱেশন কৰে। উৎসৱৰ আটাইকেইটা দিনতে পক্ষী সংৰক্ষণ সম্পৰ্কীয় বিভিন্ন আলোচনা আৰু অন্যান্য অনুষ্ঠানৰ আয়োজন কৰা হৈছে।

০০০০

বৰপেটাৰ মাধৱ চৌধুৰী মহাবিদ্যালয়ত আজিৰে পৰা ৰেডিঅ' বিষয়ক পাঠ্যক্রম আৰম্ভ কৰা হৈছে। প্ৰথমবাৰলৈ আৰম্ভ কৰা এই ছমহীয়া পাঠ্যক্রমত ছাত্ৰ-ছাত্ৰীসকলক ৰেডিঅ' সম্পৰ্কীয় ব্যৱহাৰিক পাঠদান প্ৰদান কৰা হ'ব। ছাত্ৰ-ছাত্ৰীসকলক শব্দৰ শুদ্ধ উচ্চাৰণ, শ্ৰোতাক আকৰ্ষণ কৰিব পৰাকৈ কথনশৈলী, অনুষ্ঠান উপস্থাপন আদিকে ধৰি আনুষংগিক বিষয়সমূহৰ ওপৰত প্ৰশিক্ষণ দিয়া হ'ব। পাঠ্যক্রমৰ উদ্বোধনী অনুষ্ঠানত আকাশবাণী গুৱাহাটীৰ অনুষ্ঠান শাখাৰ মুৰববী কাৰ্তিক সূত্ৰধাৰ, অনুষ্ঠান কাৰ্যবাহী চন্দ্ৰিমা শৰ্মাকে ধৰি ভালেসংখ্যক লোক উপস্থিত থাকে। উল্লেখযোগ্য যে মহাবিদ্যালয়খনৰ এটা নিজা এফ এম ষ্টেচনো আছে।

০০০০

সমাগত লোকসভা নিৰ্বাচনৰ প্ৰতি লক্ষ্য ৰাখি কাৰ্বি আংলঙৰ ডিফু আৰ্ৱত ভৱনত আজি **নিৰ্বাচনী আচৰণ বিধি** শীৰ্ষক প্ৰশিক্ষণ অনুষ্ঠিত হয়। প্ৰশিক্ষণত দেশৰ পৰম্পৰাগত লোকসভা নিৰ্বাচনৰ আচৰণ বিধিৰ সন্দৰ্ভত বিস্তৃতভাৱে আলোচনা কৰা হয়। নিৰ্বাচনত নিয়োজিত হ'বলগীয়া বিভাগীয় মুৰববী বিষয়াসকলক নিৰ্বাচনী প্ৰচাৰ, ব্যয় খৰচ, ভোটগ্ৰহণৰ সময়ত মানিবলগীয়া আচৰণ বিধি, আইনৰ অৱস্থিতি, তাৰকা প্ৰচাৰক, ৰাজনৈতিক দলৰ পতাকাৰ ব্যৱহাৰ সম্পৰ্কে সভাত অংশ লোৱা বিশিষ্ট ব্যক্তিসকলে অৱগত কৰে। প্ৰশিক্ষণত কাৰ্বি আংলং নিৰ্বাচনী জিলাৰ বিভিন্ন বিভাগৰ মুৰববী, বিষয়াসকলক উপস্থিত থাকে।

একেদৰে কৰিমগঞ্জ জিলাৰ শ্ৰীমন্ত কনিশাইলত আসন্ন লোকসভা নিৰ্বাচন সন্দৰ্ভত মণ্ডলভিত্তিক আলোচনা সভা অনুষ্ঠিত হয়। সাংসদ কৃপানাথ মল্লাই অনুষ্ঠানত আমন্ত্ৰিত অতিথি হিচাপে অংশগ্ৰহণ কৰে।

০০০০

বিটিআৰৰ মুৰববী প্ৰমোদ বড়োৱে আজি কোকৰাঝাৰ জিলাৰ হলটু গাওঁত মহিলা হিতাধিকাৰীসকলৰ মাজত আৰ্থিক অনুদানৰ চেক বিতৰণ কৰে। বিটিআৰ প্ৰশাসনৰ মাইনাও চৌৰাং বিথাংশী আঁচনিৰ জৰিয়তে ২৫ হাজাৰ টকাকৈ এহেজাৰ ৭৮৮ গৰাকী মহিলাৰ মাজত বিতৰণ কৰা হয়। আজি প্ৰথম পৰ্যায়ত ছহেজাৰ আত্মসহায়ক গোটৰ ভিতৰত এই মহিলাসকলক চেকসমূহ বিতৰণ কৰা হৈছে। বিটিআৰৰ মহিলাসকলক স্বাৱলম্বি কৰা তোলাৰ লক্ষ্যৰে এই পদক্ষেপ লোৱা হৈছে।

০০০০

চিৰাং জিলাৰ বিজনী মহকুমাৰ পানবাৰী এলেকাৰ ২ নম্বৰ কদমগুৰি গাওঁত আৰক্ষী আৰু বন বিভাগৰ যুটীয়া অভিযানত ৩ টা চোৰাং চিকাৰীক আটক কৰা হয়। লোককেইজন কদমগুৰি নিৱাসী অশোক ব্ৰহ্ম, ধনসিং গয়াৰী আৰু লাৰুগাওঁ নিৱাসী বেৰগো মুছাহাৰী বুলি চিনাক্ত কৰা হৈছে। অভিযানকাৰী দলে চোৰাং চিকাৰীকেইটাৰ পৰা বন্দুকসহ চিকাৰত ব্যৱহৃত সা-সামগ্ৰীৰ লগতে জীৱ জন্তুৰ অংগ প্ৰত্যঙ্গ জব্দ কৰে। অভিযানকাৰী দলটোৱে এই তিনিটা চোৰাং চিকাৰীক আটক কৰে যদিও আন তিনিটা পলাই যাবলৈ সমৰ্থ হয়।

০০০০

আসন্ন লোকসভা নিৰ্বাচনৰ প্ৰস্তুতিৰ বুজ লবলৈ ৰাজ্যৰ মুখ্য নিৰ্বাচনী বিষয়া অনুৰাগ গোৱেল আজি হাইলাকান্দিত উপস্থিত হয়। জিলাখনত কেইবাটাও ভোটকেন্দ্ৰ চৰজমিন পৰ্যবেক্ষণ কৰাৰ পাছত মুখ্য নিৰ্বাচনী বিষয়াগৰাকীয়ে জিলা আয়ুক্তৰ কাৰ্যালয়ত অনুষ্ঠিত এখন পৰ্যালোচনা সভাত অংশ লয়। এই সভাত তেওঁ জিলাখনৰ বিষয়াসকলৰ সৈতে নিৰ্বাচনৰ বিভিন্ন দিশ সম্পৰ্কে আলোচনা কৰে। জিলাখনৰ ভোটদানৰ হাৰ

বৃদ্ধি সম্পৰ্কতো সভাত আলোচনা কৰা হয়। সভাখনত জিলাৰ আয়ুক্ত এন এইচ গৌতম, আৰক্ষী অধীক্ষক লীনা দলৈৰ লগতে ভালেসংখ্যক বিষয়া কৰ্মচাৰী উপস্থিত আছিল। উল্লেখযোগ্য যে কৰিমগঞ্জ লোকসভা সমষ্টিৰ অন্তৰ্গত হাইলাকান্দি জিলাৰ ৬০২ টা ভোটকেন্দ্ৰত প্ৰায় চাৰে চাৰি লাখ ভোটদাতাই ভোটৰ অধিকাৰ সাব্যস্ত কৰিব।

০০০০

হাইলাকান্দি জিলা ন্যায়িক আদালত চৌহদত আজি ৰাষ্ট্ৰীয় লোক আদালত অনুষ্ঠিত হয়। জিলা আইন সেৱা প্ৰাধীকৰণৰ উদ্যোগত আয়োজিত এই আদালত বিদ্যুৎৰ মাচুল আৰু বেংকৰ ঋণ আদায় নিদিয়া গোচৰ নিষ্পত্তিৰ চেষ্টা চলোৱা হয়। হাইলাকান্দি আদালত চৌহদৰ সকলো বিচাৰপীঠতে এই আদালত অনুষ্ঠিত হয়। আজিও কাৰ্যসূচীত ৫ হাজাৰ ৬৭০ টা গোচৰ নিষ্পত্তিৰ বাবে নথিভুক্ত কৰা হৈছিল যদিও ইয়াৰ মাজৰ ৪৩৭ টাহে নিষ্পত্তি কৰা হৈছে। নিষ্পত্তি হোৱা গোচৰৰ পৰা ২ কোটি টকা জৰিমণা বা বন্দবস্তিৰ ধন আদায় কৰা হৈছে।

দক্ষিণ শালমাৰাৰ মানকাছৰ জিলাৰ আইন সেৱা প্ৰাধিকাৰীৰ উদ্যোগত আৰু জিলাখনত লোক আদালত অনুষ্ঠিত হয়। এই আদালতত ২ হেজাৰ ১৯৪ টা গোচৰ নিষ্পত্তি হোৱাৰ লগতে ২ কোটি ৩৭ লাখ টকা সংগ্ৰহ কৰা হয়। এই আদালতত ফৌজদাৰী, দেৱানী, পাৰিবাৰিক, ৰাজহ সংক্ৰান্তীয় ইত্যাদি গোচৰ নিষ্পত্তি হয়। এই আদালতত ৫৭৮ টা বেংকৰ গোচৰৰ ভিতৰত ২৯ টা নিষ্পত্তি হয়। আনহাতে, অসম শক্তি বিতৰণ কোম্পানী লিমিটেডৰ ২ হেজাৰ ৫৮২ টা গোচৰৰ ভিতৰত এহেজাৰ ৭৬৪ টা নিষ্পত্তি হৈছে। ০০০০০

০০০০

কোকৰাঝাৰ জিলাৰ মহাত্মা গান্ধী শিশু উদ্যানৰ সমীপত আজি বিটিআৰৰ মুৰব্বী প্ৰমোদ বড়োৱে বিশ্ব বৰেণ্য শিল্পী ড০ ভূপেন হাজৰিকাৰ এটা পূৰ্ণাবয়ৱ প্ৰতিমূৰ্তি নিৰ্মাণৰ আধাৰশিলা স্থাপন কৰে। ধাতুৰ প্ৰতিমূৰ্তিটো বিশিষ্ট শিল্পী বীৰেণ সিংহই নিৰ্মাণ কৰিব। এই উপলক্ষে আয়োজিত অনুষ্ঠানত বিটিআৰৰ কেইবাগৰাকীও কাৰ্যবাহী সদস্য আৰু বিধায়ক লৰেন্স ইছলাৰী উপস্থিত থাকে।

০০০০

আকাশবাণীৰ বাতৰি সেৱা বিভাগে পূৰ্ণকালীন চুক্তিভিত্তিত আকাশবাণীৰ আঞ্চলিক বাতৰি বিভাগৰ বাবে Editorial Executive-News Reader cum Translator পদৰ বাবে অভিজ্ঞতা সম্পন্ন প্ৰাৰ্থীৰ পৰা আবেদন পত্ৰ বিচাৰিছে। পদৰ সংখ্যা দুটা আৰু চুক্তিৰ প্ৰাৰম্ভিক ম্যাদ দুবছৰ। আবেদন পত্ৰ দাখিলৰ শেষ তাৰিখত প্ৰাৰ্থীৰ বয়স ৫৮ বছৰতকৈ কম হ'ব লাগিব। প্ৰতি মাহে দৰমহা নিৰিখ ৪০ হাজাৰৰ পৰা ৫০ হাজাৰ টকা। আৱশ্যকীয় অৰ্হতা - প্ৰাৰ্থী যিকোনো বিষয়ৰ স্নাতক হোৱাৰ লগতে কোনো বাতৰি সংস্থা বা প্ৰকাশন গোষ্ঠীত ৩ বছৰতকৈ অধিক কাম কৰাৰ অভিজ্ঞতা থাকিব লাগিব। বিতং তথ্যৰ বাবে ইচ্ছুক প্ৰাৰ্থীয়ে আমাৰ ৱেবছাইট newsonair.gov.in/vacancies চোৱাৰ লগতে applications.prasarbharati.org ত আবেদন কৰিব পাৰে। আবেদন পত্ৰ দাখিলৰ অন্তিম দিন ১৯ মাৰ্চ ধাৰ্য্য কৰা হৈছে।

০০০০

৫ খনীয়া টেষ্ট ক্ৰিকেট শৃংখলাৰ অন্তিমখন মেচত ভাৰতে ইংলেণ্ডক এক ইনিংছ্‌ আৰু ৬৪ ৰাণত পৰাস্ত কৰি ৪-১ ৰ ব্যৱধানত শৃংখলা  জয় কৰে। হিমাচল প্ৰদেশৰ ধৰমশালাত অনুষ্ঠিত হোৱা টেষ্ট মেচখনত ইংলেণ্ডে তেওঁলোকৰ দ্বিতীয় ইনিংছ  মাত্ৰ ১৯৫ ৰাণতে সামৰিবলগীয়া হয়। আজি ভাৰতৰ হৈ ৰবী চন্দ্ৰন আশ্বীনে দ্বিতীয় ইনিংছত ৫ টা উইকেট আৰু কুলদীপ যাদৱ আৰু যশপ্ৰীত বুমৰাহে দুটাকৈ উইকেট দখল কৰে।

০০০০

সমাপ্ত